NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰিব।

২। সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে আয়োজিত সৰ্বদলীয় বৈঠকৰ অন্তত কিৰেণ ৰিজিজুৱে চৰকাৰ যিকোনো বিষয় সন্দৰ্ভত বিতৰ্কৰ বাবে সাজু হৈ আছে বুলি প্ৰকাশ কৰে।

৩। ৩৭৩ গৰাকী ভাৰতীয় আৰু তিনি গৰাকী নেপালী শিক্ষাৰ্থী ত্ৰিপুৰাৰ মাজেৰে বাংলাদেশৰ পৰা ভাৰতলৈ উভতি আহিছে বুলি সীমান্ত সুৰক্ষা বাহিনীয়ে আজি প্ৰকাশ কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৮ জুলাইত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাতৰ বাবে জনসাধাৰণৰ পৰা পৰামৰ্শ লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে।

*আৰু*

৫। মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে আজি সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰ ইউ এ ইক ৭৮ ৰানত পৰাস্ত কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব ঐতিহ্য সমিতিৰ ৪৬ সংখ্যক অধিৱেশন মুকলি কৰিব। এই উপলক্ষে শ্ৰীমোদীয়ে এটা সমাবেশকো সম্বোধন কৰিব। ভাৰতত প্ৰথমবাৰৰ বাবে আয়োজন কৰা বিশ্ব ঐতিহ্য সমিতিৰ এই অধিৱেশনখন ৩১ জুলাইত সামৰণি পৰিব। এই বাৰ্ষিক অধিৱেশনত বিশ্ব ঐতিহ্যৰ সৈতে জড়িত সকলো বিষয়ৰ আলোচনাৰ লগতে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হ'বলগীয়া স্থানসমূহৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। বৈঠকৰ সময়ছোৱাত বিশ্ব ঐতিহ্য তালিকাত নতুন স্থান মনোনীত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। ইয়াৰ উপৰি অধিৱেশনত বৰ্তমানৰ ১২৪টা বিশ্ব ঐতিহ্য ক্ষেত্ৰ সম্পদ সংৰক্ষণৰ স্থিতিৰ প্ৰতিবেদন, আন্তঃৰাষ্ট্ৰীয় সাহায্য আৰু বিশ্ব ঐতিহ্য পুঁজিৰ ব্যৱহাৰ আদিৰ বিষয়েও আলোচনা কৰা হ'ব। অধিৱেশনত ১৫০ খন দেশৰ দুহেজাৰতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় আৰু দেশীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে কৈছে যে, ভাৰতে বিশ্ব ঐতিহ্য সমিতিৰ অধিৱেশন অনুষ্ঠিত কৰাৰ সুযোগ লাভ কৰি যথেষ্ট গৌৰৱ অনুভৱ কৰিছে। ছ'চিয়েল মিডিয়াৰ এটা পষ্টত শ্ৰীমোদীয়ে কয় যে, ভাৰতে এই সমিতিখনৰ অধিৱেশন প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে আৰু আজি সন্ধিয়াৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ তেওঁ আগ্ৰহেৰে

বাট চাই আছে। দেশৰ ঐতিহ্য সংৰক্ষণৰ উপায় সন্দৰ্ভত মত-বিনিময় কৰাৰ বাবে ই এখন গুৰুত্বপূৰ্ণ মঞ্চ বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে। বৈঠকত চৰকাৰে আসন্ন বাজেট অধিবেশনৰ সময়ছোৱাত সংসদৰ উভয় সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ ক্ষেত্ৰত সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰে। বৈঠকৰ অন্তত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কয় যে, চৰকাৰ মুকলি মনেৰে যিকোনো বিষয় সন্দৰ্ভত বিতৰ্কৰ বাবে সাজু হৈ আছে। সংসদৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াটো চৰকাৰ তথা বিৰোধী উভয় পক্ষৰে দায়িত্ব প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে মূল্যবান পৰামৰ্শৰ বাবে দলসমূহৰ নেতাসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, কিৰেন ৰিজিজু, অৰ্জুন ৰাম মেঘৱাল, জে পি নাড্ডা, চিৰাগ পাচোৱান, ৰামদাস আঠাৱালে, কংগ্ৰেছ নেতা জয়ৰাম ৰমেশ আৰু গৌৰৱ গগৈ, এন চি পি নেতা প্ৰফুল পেটেল, ডি এম কেৰ নেতা টি.আৰ. বালু আৰু তিৰুছি শিৱা, আম আদমী পাৰ্টীৰ নেতা সঞ্জয় সিং আৰু এ আই এম আই এমৰ সাংসদ আছাদুদ্দিন ওৱেছি প্ৰমুখ্যে ভালেসংখ্যক সাংসদে অংশগ্ৰহণ কৰে।

সংসদৰ বাজেট অধিবেশন কাইলৈ আৰম্ভ হ'ব। অধিবেশনৰ প্ৰথম দিনা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনত অৰ্থনৈতিক জৰীপ দাখিল কৰিব। অৰ্থনৈতিক জৰীপে অৰ্থব্যৱস্থাৰ বিভিন্ন খণ্ডৰ পাৰিসাংখ্যিক তথ্য আৰু বিশ্লেষণ আগবঢ়ায়। ইয়াৰ জৰিয়তে কৰ্ম সংস্থাপন, মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ আৰু মুদ্ৰাস্ফীতিৰ তথ্যও লাভ কৰিব পৰা যায়। বিত্তমন্ত্ৰীগৰাকীয়ে পৰহিলৈ সদনত ২০২৪-২৫ বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল। চৰকাৰে বাজেট অধিৱেশনত সংসদত ছখন নতুন বিধেয়ক দাখিল কৰাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক, বইলাৰ বিধেয়ক, ভাৰতীয় বায়ুযান বিধেয়ক, কফিৰ প্ৰসাৰ আৰু উন্নযন বিধেয়ক আৰু ৰবৰৰ প্ৰসাৰ আৰু উন্নযন বিধেয়ক আছে।

০০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত কাইলৈ নিশা চাৰে ন বজাত আয়কৰ আয়ুক্ত সৌম্য আচাৰ আৰু চাৰ্টাৰ একাউন্টেন্ট সঞ্জীৱ নাৰায়ণৰ সৈতে আইকৰ কৰ ৰিটাৰ্ণ দাখিল কৰাৰ সহজ পদ্ধতি সম্পৰ্কে এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **আয়কৰ ৰিটাৰ্ন দাখিলৰ বিভিন্ন দিশ** সম্পৰ্কে বিশেষ অতিথি দুৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফএম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান প্ৰচাৰ হব।

০০০০০০০০

সীমান্ত সুৰক্ষা বাহিনীয়ে আজি প্ৰকাশ কৰিছে যে, ৩৭৩ গৰাকী ভাৰতীয় শিক্ষাৰ্থীৰ লগতে তিনি গৰাকী নেপালী শিক্ষাৰ্থী ত্ৰিপুৰাৰ দুটা ছেকপোষ্টেৰে বাংলাদেশৰ পৰা ভাৰতলৈ উভতি আহিছে। বাংলাদেশত যোৱা কিছুদিন ধৰি সংৰক্ষণৰ বিৰোধীতাৰে হিংসাত্মক পৰিস্থিতি সৃষ্টি হোৱা পৰিপ্ৰেক্ষিতত শিক্ষাৰ্থীসকল নিজৰ দেশলৈ উভতি আহিছে। সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰি ত্ৰিপুৰা সীমান্তৰ মহা পৰিদৰ্শক পাটেল পীয়ুষ পুৰুসোত্তম দাসে কয় যে চোনামূৰা জিলাৰ শ্ৰীমন্তপুৰ ছেকপোষ্টেৰে ৩০০ গৰাকী আৰু আখাউৰা ছেকপোষ্টেৰে ৭৬ গৰাকী শিক্ষাৰ্থী উভতি আহিছে। তেওঁ লগতে আন ৩০০ গৰাকী শিক্ষাৰ্থী আজি ত্ৰিপুৰাৰ মাজেৰে ভাৰতত প্ৰৱেশ কৰিব বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে বাংলাদেশত বৃহৎ সংখ্যক ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসা বিজ্ঞান অধ্যয়ন কৰি আছে। মহাপৰিদৰ্শকগৰাকীয়ে প্ৰকাশ কৰিছে যে, সীমান্তত কোনো অপ্ৰীতিকৰ পৰিস্থিতি উদ্ভৱ নোহোৱাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে সীমান্ত সুৰক্ষা বাহিনীয়ে স্থানীয় বাসিন্দাসকলৰ সৈতে নিবিড় সহযোগিতাৰে কাম কৰি কৰিছে। তেওঁ লগতে কয় যে, ত্ৰিপুৰাৰ ৮৫৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-বাংলাদেশ সীমান্তৰ ভিতৰত ৯৫ শতাংশ অঞ্চলৰ কটা তাঁৰৰ বেৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। তেওঁ লগতে কয় যে, ২৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ উন্মুক্ত অঞ্চলত সীমান্তৰ বেৰ নিৰ্মাণৰ কাম অব্যাহত আছে।

oooooooo

বাংলাদেশ উচ্চতম ন্যায়ালয়ে চৰকাৰী চাকৰিত থকা অধিকাংশ সংৰক্ষণ বাতিল কৰে। উল্লেখযোগ্য যে, সংৰক্ষণ বিষয়ক লৈ আৰক্ষী আৰু বিশ্ব বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত দেশজুৰি হোৱা সংঘৰ্ষত ১০০ গৰাকীতকৈ অধিক লোক নিহত হয়। দেশখনৰ উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ অনুযায়ী এতিয়াৰ পৰা ১৯৭১ চনৰ যুদ্ধৰ সৈনিকসকলৰ সম্পৰ্কীয় লোকৰ বাবে পূৰ্বৰ ৩০ শতাংশৰ স্থানত ৫ শতাংশ অসামৰিক সেৱাৰ চাকৰি সংৰক্ষিত থাকিব। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে সংৰক্ষণ ব্যৱস্থাক বৈষম্যমূলক আখ্যা দি এই ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আহিছে। ২০১৮ চনত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ চৰকাৰে সংৰক্ষণ ব্যৱস্থা বাতিল কৰিছিল যদিও যোৱা মাহত নিম্ন আদালতে ইয়াক পুনৰ বাহাল ৰখাৰ ব্যৱস্থা কৰাৰ ফলত দেশজুৰি হিংসাত্মক প্ৰতিবাদৰ সৃষ্টি হয়। যোৱা বৃহস্পতিবাৰৰ পৰা দেশখনত ইণ্টাৰনেট সেৱা বন্ধ হৈ আছে। দেশখনৰ বিভিন্ন প্ৰান্তত অস্থিৰতা বিৰাজ কৰি থকাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে সান্ধ্য আইন বলৱৎ কৰাৰ লগতে দেখা মাত্ৰকে গুলীওৱাৰ নিৰ্দেশ দিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৮ জুলাইত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাতৰ পৰৱৰ্তী খণ্ডৰ বাবে জনসাধাৰণৰ পৰা ভালেসংখ্যক পৰামৰ্শ লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, তেওঁ মন কী বাত অনুষ্ঠানৰ আসন্ন খণ্ডৰ বাবে যথেষ্ট পৰামৰ্শ লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে, সমাজৰ সংস্কাৰৰ লক্ষ্যৰে ভালেসংখ্যক যুৱক-যুৱতীয়ে সমূহীয়া প্ৰচেষ্টাত আলোকপাত কৰা দেখা পাই তেওঁ সুখী হৈছে। শ্ৰীমোদীয়ে জনসাধাৰণক মাই গভ্, নমো এপযোগে দিহা পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনাইছে। তেওঁ লগতে ১৮০০১১৭৮০০ নম্বৰত ফোন কৰি বাৰ্তা বাণীবদ্ধ কৰিবলৈও জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

oooooooo

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে আজি সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰ ইউ এ ইক ৭৮ ৰানত পৰাস্ত কৰে। শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত খেলখনত ইউ এ ইএ টছত জয়লাভ কৰি ভাৰতক বেটিঙৰ

বাবে আমন্ত্ৰণ জনায়। ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২০১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে ৬৬ ৰান আৰু উইকেট কিপাৰ ৰিছা ঘোষে ৬৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত উই এ ইএ নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১২৩ ৰান কৰিবলৈ সক্ষম হয়। ভাৰতীয় মহিলা দলটোৱে এতিয়ালৈ ৪ পইণ্ট লাভ কৰি শৃংখলাটোত আগবাঢ়ি আছে।

০০০০০০০০

সমাপ্ত